## পৃথিৱীৰ ভূমিৰূপ (Landforms of the Earth)

### ১. ভূমিৰূপৰ সংজ্ঞা (Definition of Landforms)

পৃথিৱীৰ কঠিন পৃষ্ঠত প্ৰাকৃতিকভাৱে সৃষ্টি হোৱা বিভিন্ন উচ্চতা, অৱনমন, ঢাল আৰু আকৃতিৰ ভূ-প্ৰকৃতিক ভূমিৰূপ (Landform) বোলে।

পৃথিৱীৰ বিভিন্ন ভূমিৰূপ একেলগে ভূ-পৃষ্ঠৰ সামগ্ৰিক আকৃতি গঠন কৰে। কোনো অঞ্চলৰ ভূমিৰূপৰ বিন্যাসক ভূ-প্ৰকৃতি (Topography) বোলে।

পৃথিৱীৰ পৃষ্ঠ সকলো ঠাইতে সমান নহয়। কোনো ঠাই পাহাৰ-পৰ্বতেৰে ভৰা, কোনো ঠাই মালভূমি আৰু কোনো ঠাই সমতল।

### ২. ভূমিৰূপৰ উৎপত্তি (Origin of Landforms)

পৃথিৱীৰ ভূমিৰূপ মূলতঃ দুটা প্ৰধান প্ৰক্ৰিয়াৰ ফলত সৃষ্টি হয়।

#### (ক) আভ্যন্তৰীণ প্ৰক্ৰিয়া (Internal Processes)

- এই প্ৰক্ৰিয়াসমূহ পৃথিৱীৰ ভিতৰত সংঘটিত হয়।
- ইয়াৰ ফলত ভূ-পৃষ্ঠৰ উত্থান (Upliftment) আৰু অৱনমন (Subsidence) ঘটে।
- পৰ্বত সৃষ্টি, আগ্নেয়গিৰিৰ কাৰ্য আৰু ভূমিকম্প আভ্যন্তৰীণ প্ৰক্ৰিয়াৰ সৈতে জড়িত।

#### (খ) বাহ্যিক প্ৰক্ৰিয়া (External Processes)

- বাহ্যিক প্ৰক্ৰিয়াই ভূ-পৃষ্ঠৰ ক্ষয় আৰু পুনৰ নিৰ্মাণ কৰে।
- ইয়াৰ দুটা প্ৰধান প্ৰক্ৰিয়া হৈছে—

১. ক্ষয় (Erosion): নদী, বতাহ, হিমবাহ আদিৰ দ্বাৰা ভূ-পৃষ্ঠৰ পদাৰ্থ অপসাৰণ হোৱা প্ৰক্ৰিয়া।

২. সঞ্চয় (Deposition): ক্ষয়ৰ ফলত পৰিবাহিত পদাৰ্থ অন্য ঠাইত জমা হোৱা প্ৰক্ৰিয়া।

বাহ্যিক প্রক্রিয়াৰ প্রধান কাৰকসমূহ হৈছে—

- প্রবাহিত পানী (Running Water)
- হিমবাহ (Glacier)
- বতাহ (Wind)
- সাগৰীয় ঢৌ আৰু সোঁত (Waves and Currents)

## ৩. উচ্চতা আৰু ঢালৰ ভিত্তিত প্রধান ভূমিৰূপৰ শ্রেণীবিভাগ

ভূ-পৃষ্ঠৰ উচ্চতা আৰু ঢালৰ ভিত্তিত প্রধান ভূমিৰূপসমূহক তিনিটা ভাগত ভাগ কৰা হয়।


১. পর্বত (Mountains)

চাৰিওফালৰ ভূমিতকৈ অধিক উচ্চ আৰু সাধাৰণতে ঠেক ঢালযুক্ত ভূমিৰূপ।




২. মালভূমি (Plateaus)

চাৰিওফালৰ ভূমিতকৈ উচ্চ কিন্তু ওপৰৰ অংশ তুলনামূলকভাৱে সমতল ভূমিৰূপ।




৩. সমভূমি (Plains)

কম উচ্চতা আৰু সামান্য উচ্চতাৰ পার্থক্য থকা বিস্তৃত সমতল ভূমি।



## ৪. পৰ্বত (Mountains)

### সংজ্ঞা

পৃথিৱীৰ ভূ-পৃষ্ঠৰ যিকোনো প্ৰাকৃতিক উচ্চ অংশক পৰ্বত বোলে। পৰ্বত সাধাৰণতে চাৰিওফালৰ ভূমিতকৈ উচ্চ, ঠেক ঢালযুক্ত আৰু শৃংগযুক্ত হয়।


পাঠ্যপুথিৰ মতে, পৰ্বত সাধাৰণতে চাৰিওফালৰ ভূমিতকৈ প্ৰায় 300 মিটাৰ বা তাতকৈ অধিক উচ্চ হয়।

পৰ্বতশ্ৰেণী (Mountain Range): একেৰাহে শাৰী পাতি থকা পৰ্বতসমূহক পৰ্বতশ্ৰেণী বোলে।

### পৰ্বতৰ প্ৰকাৰ


### ১. ভাঁজ পৰ্বত (Fold Mountains)

- ভূ-ত্বকৰ শিলাস্তৰ সংকোচনৰ ফলত ভাঁজ খাই সৃষ্টি হয়।
- সাধাৰণতে উচ্চ, ঠেক ঢালযুক্ত আৰু অসমান শৃংগযুক্ত হয়।
- উদাহৰণ:
    - হিমালয়
    - আল্পছ পৰ্বত
    - আৰাৱলী পৰ্বত
    - এপালেচিয়ান পৰ্বত
    - ইউৰাল পৰ্বত



## ২. খণ্ড পর্বত (Block Mountains)

- ভূ-ত্বকৰ বৃহৎ শিলাখণ্ড ভাঙি উলম্বভাৱে স্থানান্তৰিত হোৱাৰ ফলত সৃষ্টি হয়।
- কিছুমান শিলাখণ্ড ওপৰলৈ উঠি পর্বতৰ সৃষ্টি কৰে আৰু কিছুমান তললৈ নামি উপত্যকাৰ সৃষ্টি কৰে।
- উদাহৰণ:
    - ভ'জ (Vosges) পর্বত
    - ৰাইন উপত্যকাৰ অঞ্চল




## ৩. আগ্নেয় পর্বত (Volcanic Mountains)

- আগ্নেয়গিৰিৰ কার্যৰ ফলত লাভা আৰু অন্যান্য আগ্নেয় পদার্থ জমা হৈ সৃষ্টি হয়।
- উদাহৰণ:
    - মাউণ্ট ফুজি (জাপান)
    - মাউণ্ট কিলিমাঞ্জাৰো (আফ্রিকা)

## পর্বতৰ উপকাৰিতা

- পর্বত বহু নদীৰ উৎস।
- হিমবাহ আৰু বৰফৰ পৰা নদীৰ পানী যোগান ধৰা হয়।
- জলাধাৰ নির্মাণ আৰু জলসিঞ্চনত সহায় কৰে।
- জলবিদ্যুৎ উৎপাদনত সহায় কৰে।
- পর্বতীয় বনাঞ্চলত বিভিন্ন উদ্ভিদ আৰু প্রাণী পোৱা যায়।
- বনাঞ্চলে ইন্ধন, পশুখাদ্য আৰু কাঠ যোগান ধৰে।
- পর্যটন আৰু বিনোদনৰ বাবে পর্বত গুৰুত্বপূর্ণ।

## ৫. মালভূমি (Plateaus)



### সংজ্ঞা

চাৰিওফালৰ ভূমিতকৈ উচ্চ আৰু ওপৰৰ অংশ তুলনামূলকভাৱে সমতল বা মেজৰ দৰে হোৱা বিস্তৃত ভূমিভাগক মালভূমি (Plateau) বোলে।

মালভূমিক উচ্চ সমভূমি (High Plain) বা টেবুল ভূমি (Tableland) বুলিও কোৱা হয়।

### মালভূমিৰ বৈশিষ্ট্য

- চাৰিওফালৰ ভূমিতকৈ উচ্চ।
- ওপৰৰ অংশ বহুলাংশে সমতল।
- কিছুমান মালভূমিৰ কাষত ঠেক ঢাল বা গভীৰ উপত্যকা থাকে।
- মালভূমি বিভিন্ন উচ্চতাত অৱস্থিত হ'ব পাৰে।

## মালভূমিৰ উদাহৰণ

- ডেকান মালভূমি (Deccan Plateau) — ভাৰত
- তিব্বত মালভূমি (Tibetan Plateau) — পৃথিৱীৰ উচ্চতম মালভূমি
- পশ্চিম অষ্ট্রেলিয়াৰ মালভূমি
- পূব আফ্রিকাৰ মালভূমি
- ছোটনাগপুৰ মালভূমি — ভাৰত

## মালভূমিৰ উপকাৰিতা

- মালভূমি খনিজ সম্পদেৰে সমৃদ্ধ।
- খনিজ পদার্থৰ খননৰ বাবে গুৰুত্বপূর্ণ।
- আফ্রিকাৰ মালভূমি সোণ আৰু হীৰাৰ বাবে বিখ্যাত।
- ছোটনাগপুৰ মালভূমিত লোহা, কয়লা আৰু মেংগানিজৰ বৃহৎ ভাণ্ডাৰ আছে।

## ৬. সমভূমি (Plains)







**সংজ্ঞা**

কম উচ্চতা আৰু সামান্য উচ্চতাৰ পার্থক্য থকা বিস্তৃত সমতল বা মৃদু ঢালযুক্ত ভূমিভাগক সমভূমি (Plain) বোলে।

**সমভূমিৰ বৈশিষ্ট্য**

- সাধাৰণতে সমতল বা মৃদু ঢালযুক্ত।
- নদী উপত্যকা, পর্বতৰ পাদদেশ আৰু উপকূলীয় অঞ্চলত দেখা যায়।
- বহু সমভূমি নদীৰ পলস সঞ্চয়ৰ ফলত সৃষ্টি হয়।
- সমভূমি সাধাৰণতে কৃষিৰ বাবে উপযোগী।
- জনবসতি আৰু পৰিবহণ ব্যৱস্থাৰ বিকাশৰ বাবে সুবিধাজনক।

**সমভূমিৰ উদাহৰণ**

- গংগা-ব্রহ্মপুত্র সমভূমি
- সিন্ধু সমভূমি
- ইয়াংচি নদীৰ সমভূমি
- উত্তৰ আমেৰিকাৰ বৃহৎ সমভূমি

**সমভূমিৰ উপকাৰিতা**

- কৃষিকার্যৰ বাবে উপযোগী।
- ঘৰ-দুৱাৰ আৰু নগৰ নির্মাণ সহজ।
- পথ, ৰেলপথ আৰু পৰিবহণ ব্যৱস্থা নির্মাণৰ বাবে সুবিধাজনক।
- ঘন জনবসতিৰ বাবে উপযোগী।
- ভাৰতৰ ইন্দো-গংগেয় সমভূমি অতি ঘন জনবসতিপূর্ণ অঞ্চল।